بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## মক্কা বিজয়ৰ পিছত কিছুমান অভিযান আৰু তবুকৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১০ অক্টোবৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, মক্কা বিজয়ৰ পিছত মদিনালৈ উভতি অহাৰ পাছতো কিছুমান অভিযানৰ সন্মুখীন হৈছিল যাৰ উল্লেখ মই কৰিম।

এটা অভিযান কায়েছ বিন ছাআদ বিন উবাদাহৰ উল্লেখ আছে; এই অভিযান ৮ হিজৰীত সংঘটিত হৈছিল। আঁহজৰত (ছাঃ)য়ে যেতিয়া জিৰানাৰ পৰা উভতি আহিছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে ইছলামৰ প্ৰচাৰৰ বাবে বিভিন্ন অঞ্চলৰ ফালে সেনা পঠিয়াইছিল; মুহাজিৰ আবি উমায়া (ৰাঃ)ক ছানাআৰ ফালে আৰু জিয়াদ বিন লবেদ (ৰাঃ)ক হাজৰে মৌতৰ ফালে ৰাওনা কৰিছিল; আৰু এজন সেনা প্ৰস্তুত কৰিছিল যাৰ আমিৰ হিচাপে কায়েছ বিন ছাআদ (ৰাঃ)ক নিযুক্ত কৰিছিল। তেখেত (ছাঃ)য়ে কায়েছ বিন ছাআদ (ৰাঃ)ক ৪০০ জন লোকৰ সৈতে ৰাওনা কৰিছিল যাতে তেওঁলোকে ইয়ামনৰ ছাদাআ জনগোষ্ঠীক ইছলামৰ পয়গাম দিব পাৰে। হজৰত কায়েছ (ৰাঃ) খজৰুজৰ চৰ্দাৰ হজৰত ছাআদ বিন উবাদাহ (ৰাঃ)ৰ পুত্ৰ আছিল। তেওঁৰ প্ৰস্তাৱসমূহ যুক্তিসংগত আৰু তেওঁ বৰ সাহসী আছিল। উদাৰতাৰ ক্ষেত্ৰত বহুত বিখ্যাত আছিল। তেখেত (ৰাঃ)য়ে কানাহত শিৱিৰ পাতি আছিল তেতিয়াই ছাদাআ গোষ্ঠীৰ এজন ব্যক্তি জিয়াদ বিন হাৰিছে সেই ঠায়েদি গৈ আছিল, তেওঁ কিছুদিন আগতে মুছলমান হৈছিল, যেতিয়া তেওঁ জানিব পাৰিছিল যে এই সেনাসকলে তেওঁৰ জাতিৰ ওপৰত আক্ৰমণ কৰিব, তাৰ পৰা তেওঁ পোপটীয়াকৈ ৰছুলে কৰিম (ছাঃ)ৰ সন্মুখত উপস্থিত হৈ আবেদন জনায় যে আপুনি যি সেনাক পঠিয়াইছে তেওঁলোকক উভতাই মাতি আনক।

মই নিজৰ জাতিৰ বাবে নিশ্চয়তা দিও যে তেওঁলোকে ইছলাম গ্ৰহণ কৰিব। তেখেত (ছাঃ)য়ে তেওঁৰ কথাত মান্তি হৈ সেনা সকলক ঘূৰি আহিবলৈ কৈছিল। ইয়াৰ পিছত যেতিয়া তেওঁ ক্ৰমান্বয়ে প্ৰচাৰ কৰিছিল তেতিয়া তেওঁলোকে ইছলাম গ্ৰহণ কৰিছিল, কাৰণ আক্ৰমণ আৰু বল প্ৰয়োগ কৰি মুছলমান বনোৱা ইছলামৰ শিক্ষাৰ পৰিপন্থী আৰু আঁহজৰত (ছাঃ)ৰ কৰ্ম আৰু ছুন্নতৰো পৰিপন্থী। তেখেত (ছাঃ)য়ে হজৰত জিয়াদ (ৰাঃ)ক তেওঁলোকৰ আমিৰ নিযুক্ত কৰিছিল।

হজৰত উয়ায়না বিন হিছন ফুজাৰি (ৰাঃ)ৰ অভিযান, এই অভিযান মহৰমৰ ৯ হিজৰীত বনু তামিমৰ ফালে চলিছিল। ইয়াৰ পটভূমি হ'ল, আঁহজৰত (ছাঃ)য়ে হজৰত বিশ্বৰ বিন ছুফিয়ান (ৰাঃ)ক বনু কাআবৰ ফালে ছাদকাত অৰ্থাৎ জাকাত সংগ্ৰহ কৰাৰ বাবে প্ৰেৰণ কৰিছিল। হজৰত বিশ্বৰৰ নিৰ্দেশ অনুসৰি বনু খুজাআৰ সম্পত্তি চাৰিওফালৰ পৰা তেওঁৰ ওচৰত জমা হ'ব ধৰিলে। বনু তামিম যিজন মুছলমান নাছিল, তেওঁ এই ধন-সম্পত্তিক বৃহৎ বুলি ভাবি কৈছিল যে আমাৰ ধন-সম্পত্তি কিয় অন্যায়ভাৱে সংগ্ৰহ কৰি আছে ? ইয়াৰ পিছত নিজৰ তৰোৱাল উলিয়াই বিবাদ কৰি যুদ্ধ আৰম্ভ কৰে, এই পৰিস্থিতি চাই হজৰত বিশ্বৰ জাকাত সংগ্ৰহ অবিহনে তাৰ পৰা উভতি আহি নবী কৰিম (ছাঃ)ক এই বিষয়ে অৱগত কৰে। তেখেত (ছাঃ)য়ে হজৰত উয়ায়না বিন হিছন (ৰাঃ)ক আৰবৰ পঞ্চাচজন সাহসীৰ সৈতে বনু তামিমৰ ফালে ৰাওনা কৰে। তেখেত (ৰাঃ)য়ে সেই মৰুভূমিত গৈ উপস্থিত হৈছিল য'ত বনু তামিমে নিজৰ জন্তু চ'ৰাই আছিল। বনু তামিমে এই সেনা সকলক দেখা পোৱাৰ লগে লগে তেওঁ সকলো কিছু এৰি তাৰ পৰা পলায়ন কৰিছিল, তেওঁৰ এঘাৰজন পুৰুষ, এঘাৰ গৰাকী মহিলা আৰু ত্ৰিশজন ল'ৰা-ছোৱালীক কয়েদী বনাই লৈ মদিনালৈ লৈ অনা হৈছিল, নবী কৰিম (ছাঃ)ৰ আদেশ অনুসৰি তেওঁলোকক হজৰত ৰামলাহ (ৰাঃ)ৰ ঘৰতে ৰখা হৈছিল।

পিছত বনু তামিমৰ ৮০/৯০ জনীয়া এটা দল আঁহজৰত (ছাঃ)ৰ সন্মুখত উপস্থিত হৈছিল; এই দলত সেই জনগোষ্ঠীৰ কিছুমান বাকপটু কবি আৰু বক্তাও আছিল। দলৰ প্ৰতিনিধি জনে কৈছিল যে আমি আপোনাৰ লগত কবিতা আৰু বক্তৃতাত প্ৰতিযোগিতা কৰিব বিচাৰো। অৰ্থাৎ বক্তব্য আৰু কবিতাত আমাৰ সৈতে প্ৰতিযোগিতা কৰক যে কোনটো জাতিৰ বক্তব্য আৰু কবিতা শ্ৰেষ্ঠ। তেখেত (ছাঃ)য়ে কৈছিল যে কবিতা আৰু বক্তব্যৰ উদ্দেশ্যে মোক প্ৰেৰণ কৰা হোৱা নাই; মোৰ উদ্দেশ্য হৈছে আল্লাহৰ ফালে আহ্বান কৰা। যদি তোমাৰ আগমনৰ উদ্দেশ্য এইটোৱেই তেন্তে নিজৰ কলা দেখুৱাওক, আমি ইয়াৰ প্ৰতি সঁহাৰি দিম। এই প্ৰতিযোগিতাৰ পিছত আকৰা বিন হাবিছ যিজন এই দলৰ প্ৰতিনিধি আছিল তেওঁ নিজৰ সংগীসকলৰ সন্মুখত স্বতঃস্ফূৰ্তভাৱে মন্তব্য প্ৰদান কৰিছিল যে তেওঁলোকৰ বক্তব্য আমাৰ বক্তব্যতকৈ অধিক উচ্চ আৰু তেওঁলোকৰ কবি আমাৰ কবিতকৈ উৎকৃষ্ট, এওঁলোক আমাতকৈ বহু আগবঢ়া। যেতিয়া লোকসকলে ইয়াৰ পৰা বিদায় ললে তেতিয়া তেওঁ ইছলাম গ্ৰহণ কৰে। আঁহজৰত (ছাঃ)য়ে বনু তামিমৰ ইছলাম গ্ৰহণ কৰাৰ বাবে তেওঁৰ কয়েদীসকলক উভতাই দিছিল লগতে সকলোকে পুৰস্কাৰো দিছিল।

আকৌ কাতবা বিন আমিৰৰ অভিযান, যিটো ছফৰ মাহৰ ৯ হিজৰীত হৈছিল। আঁহজৰত (ছাঃ)য়ে এটা বৰ্ণনা অনুযায়ী তেওঁক কিবালাহ, আন এটা বৰ্ণনা অনুসৰি বিশ্বাৰ ফালে প্ৰেৰণ কৰিছিল। তেওঁক এই আদেশ দিছিল যে হঠাতে তেওঁলোকৰ ওপৰত আক্ৰমণ কৰিব। সেয়ে মুছলমান সকলে হঠাতে তেওঁলোকৰ ওপৰত আক্ৰমণ চলাইছিল, ভীষণ যুদ্ধ হয় আৰু উভয় দলৰ বহুতে আহত হৈছিল আৰু বিৰোধী জনগোষ্ঠীৰ বহু লোক নিহত হৈছিল। হজৰত কুতবাই যুদ্ধলব্দৰ উট, ছাগলী আৰু মহিলাসকলক মদিনালৈ লৈ

আহিছিল।
ইয়াৰ পিছত জিহাক বিন ছুফিয়ান কালাবি (ৰাঃ)ৰ অভিযানৰ উল্লেখ আছে। এই অভিযান ৰবিউল মাহৰ ৯ হিজৰীত সংঘটিত হৈছিল। আঁহজৰত (ছাঃ)য়ে হজৰত জিহাক বিন ছুফিয়ান কিলাবি (ৰাঃ)ক কিৰতাহ ঠাইত তেওঁৰ জনগোষ্ঠী বনু কিলাবৰ ফালে ৰাওনা কৰিছিল; তেওঁ ইছলামৰ পয়গাম দিছিল, কিন্তু জনগোষ্ঠীয়ে অস্বীকাৰ কৰিছিল যাৰ ফলত যুদ্ধ হৈছিল। তেওঁলোকে কিৰতাৰ বাসিন্দাসকলক পৰাজয় কৰি যুদ্ধলব্দ লাভ কৰিছিল।

আকৌ হজৰত আলাকামাহ বিন মুজাজ্জাজৰ অভিযান জিদ্দাৰ ফালে হোৱা বুলি উল্লেখ আছে। এই অভিযান ৰবিউচ্ছানি আৰু কিছুমান বৰ্ণনা অনুসৰি ছফৰ মাহৰ ৯ হিজৰীত সংঘটিত হৈছিল। আঁহজৰত (ছাঃ)য়ে সংবাদ মাধ্যমে জানিব পাৰিছিল যে হাবশ্বাত কিছুমান যোদ্ধা জিদ্দাৰ উপকূলত অৱতৰণ কৰিছে, কিছু বৰ্ণনা অনুযায়ী তেওঁলোকে মক্কাৰ বিৰুদ্ধে ডকাইতি কৰিবলৈ আহিছিল। তেখেত (ছাঃ)য়ে হজৰত আলাকামাহ (ৰাঃ)ক তিনি শ লোকৰ নেতৃত্বত সেইফালে ৰাওনা কৰিছিল। তেওঁলোকে তেখেত (ৰাঃ)ৰ আগমনৰ কথা গম পোৱাত নিজৰ নৌকাত উঠি সমুদ্ৰলৈ পলায়ন কৰিছিল। তেখেত (ৰাঃ)য়ে এটা দ্বীপলৈকে তেওঁলোকৰ পিছানুসৰণ কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে এই অভিযানৰ এটা উল্লেখযোগ্য ঘটনা বৰ্ণনা কৰিছে যে দলৰ আমিৰে সেনাসকলক জুইত জপিয়াই পৰিবলৈ আদেশ দিছিল, যাৰ ফলত কিছুমান সেনাসকলে জুইত জপিয়াই পৰিবলৈ প্ৰস্তুত হৈছিল আৰু কিছুমানে অস্বীকাৰ কৰিছিল বুলি উল্লেখ পোৱা যায়। যেতিয়া এই কথা নবী কৰিম (ছাঃ)ক অৱগত কৰা হৈছিল তেতিয়া তেখেত (ছাঃ)য়ে বৰ খং প্ৰকাশ কৰি কৈছিল যে যদি তেওঁলোকে জুইত জপিয়াই পৰিলেহেঁতেন তেন্তে কিয়ামতলৈকে ইয়াৰ পৰা ওলাই নাহিলেহেঁতেন; যদিও আজ্ঞা পালন চৰিয়তৰ এটা গুৰুত্বপূৰ্ণ দিশ। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়েও এই ঘটনা দাঙি ধৰি কৈছে যে যি বিষয় চৰিয়তৰ বিৰোধী সেই আদেশ পালন কৰাৰ প্ৰয়োজন নাই।

ইয়াৰ পিছত হজৰত আলি (ৰাঃ)ৰ অভিযানৰ কথা উল্লেখ আছে, যিটো ৰবিউচ্ছানি মাহৰ ৯ হিজৰীত সংঘটিত হৈছিল। ৰছুলে কৰিম (ছাঃ)য়ে হজৰত আলী (ৰাঃ)ক ডেৰ শ জন আনছাৰীৰ সৈতে বনু তেৰ মূৰ্তি ফুলছক ভাঙি পেলোৱাৰ বাবে ৰাওনা কৰিছিল। তেখেত (ৰাঃ)য়ে পুৱাৰ সময়তে আক্ৰমণ চলাই তেওঁলোকৰ মূৰ্তি ফুলছক ভাঙি পেলাইছিল। বহু কয়েদী, সম্পত্তি আৰু জন্তু অধীনলৈ আহিছিল। খ্যাতি লাভ কৰা হাতিম তাঈৰ এই জনগোষ্ঠী আছিল, কয়েদীসকলৰ মাজত তেওঁৰ ছোৱালী ছাফানাহও আছিল, তেওঁৰ ল'ৰা আদি যিজন জনগোষ্ঠীৰ নেতা আছিল তেওঁ পলায়ন কৰি ছিৰিয়াৰ ফালে গুচি গৈছিল। আঁহজৰত (ছাঃ)য়ে হাতিম তাঈৰ ছোৱালী ছাফানাক বাৰম্বাৰ জোৰ দিয়াত স্বাধীন কৰি দিছিল। তাই স্বাধীন হোৱাৰ ক্ষন্তেক পিছতেই মুছলমান হৈ গৈছিল। তেখেত (ছাঃ)ৰ অনুমতি মতে তাই নিজৰ ভাই আদিৰ ওচৰত ছিৰিয়ালৈ গৈছিল। তাই নিজৰ ভাইক যথাসম্ভৱ অতি সোনকালে আঁহজৰত (ছাঃ)ৰ ওচৰলৈ মদিনাত উপস্থিত কৰিবলৈ জোৰ দিছিল। ৰছুলে কৰিম (ছাঃ)য়ে আদিৰ ধৰ্ম আৰু তেওঁৰ ব্যক্তিগত বিষয়াৱলী সন্দৰ্ভত কিছু আলোচনা কৰিছিল, যাৰ কিছুমান কথা এনেকুৱা আছিল যিবোৰ আদিৰ বাহিৰে আন কোনেও জনা নাছিল। আদিয়ে কৈছিল যে তেখেত (ছাঃ)ৰ সুন্দৰ আচৰণ আৰু কথাসমূহ শুনা পাই মই মুছলমান হৈছো। হজৰত আলী (ৰাঃ)ৰ এই অভিযানৰ কিছু সময় পাছত তে জনগোষ্ঠীৰ এটা দল আঁহজৰত (ছাঃ)ৰ সন্মুখত উপস্থিত হৈ ইছলাম গ্ৰহণ কৰিছিল।

ইয়াৰ পিছত উকাশ্বা বিন মিহছান অভিযানৰ উল্লেখ আছে, যিটো জিনাবৰ ফালে ৯ ৰবিউচ্ছানি মাহৰ ৯ হিজৰীত সংঘটিত হৈছিল। এই অভিযান সম্পৰ্কে বেছি বৰ্ণনা নাই, কেৱল ইমানেই উল্লেখ আছিল যে এই অভিযান চলিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে তবুকৰ যুদ্ধৰ বিষয়ে কিছুমান প্ৰাৰম্ভিক কথা দাঙি ধৰিছে, যিটো ৰজব মাহৰ ৯ হিজৰী অনুসৰি চেপ্তেম্বৰ ৬৩০ চনত সংঘটিত হৈছিল। এইটো আঁহজৰত (ছাঃ)ৰ জীৱনৰ শেষ যুদ্ধ আছিল। তবুক নামৰ নিজৰাৰ ওচৰত অৱস্থান কৰাৰ বাবে এই যুদ্ধক তবুকৰ যুদ্ধ বুলি কোৱা হয়। কোৰআন মজিদত তবুকৰ যুদ্ধক ছাআতুল উছৰা অৰ্থাৎ কষ্টৰ সময় বুলি কোৱা হৈছে। কিয়নো মুছলমান সকলে বৰ কষ্ট আৰু অসুবিধাৰ সন্মুখীন হৈছিল। তবুকৰ যুদ্ধৰ মূল কাৰণ এইটো জনা যায় যে মক্কা বিজয়ৰ সময়ত, বনু হাৱাজন শক্তিশালী জনগোষ্ঠী হোৱা সত্ত্বেও বেয়াকৈ পৰাজয় হৈছিল আৰু আৰবৰ চৌদিশৰ সকলো জনগোষ্ঠীৰ ওপৰত মুছলমান সকলে বিজয় হোৱাৰ কাৰণে ইহুদী, খ্ৰীষ্টান আৰু কপটাচাৰীসকলৰ সকলো চেষ্টা-প্ৰেচষ্টা বিফল হোৱাৰ দৃশ্য চাই এফালে মহাশক্তি অৰ্থাৎ ৰোমৰ ৰজা কায়ছৰক নিজৰ সেনা প্ৰস্তুত কৰি পঠিয়াবলৈ কৈছিল যাতে মুছলমান সকলক পৰাজয় কৰিব পাৰে; আনফালে কপটাচাৰী সকলে মদিনাত এই ভূৱা খবৰ বিয়পাইছিল যে ৰোমৰ সম্ৰাটে নিজৰ সেনা পঠিয়াই আছে যিয়ে মহম্মদ (ছাঃ)ৰ লগতে সকলো মুছলমানক নিঃশেষ কৰি পেলাব। এইদৰে কপটাচাৰী আৰু বিৰোধীসকলৰ ধাৰণা আছিল যে সম্ভৱত আঁহজৰত (ছাঃ)য়ে নিজেই এই সেনা বাহিনীৰ সৈতে মোকাবিলা কৰিবলৈ মদিনাৰ পৰা ছিৰিয়াৰ ফালে ওলাই আহিব। দুয়ো পৰিস্থিতিত অৰ্থাৎ এফালে যাত্ৰাৰ অসুবিধা, আনফালে ৰোমৰ সম্ৰাটৰ সৈতে মোকাবিলাৰ ফলত মুছলমান সকল আৰু আঁহজৰত (ছাঃ)ক নিশ্চয় বিধ্বস্ত হৈ পৰিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এই বিষয়ে অধিক বিস্তৃত বৰ্ণনা আছে যিবোৰ ইনশ্বা আল্লাহ পৰৱৰ্তীত বৰ্ণনা কৰিম।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আজি মছজিদে মাহদী যিটো গোলবাজাৰ ৰাবৱাত অৱস্থিত তাতে উগ্ৰবাদীয়ে আক্ৰমণ কৰিছে, আমাৰ পাঁচ ছয় জন লোক আহত হৈছে, দুজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে, দুয়োজনৰ পেটত গুলী লাগিছে , অস্ত্ৰোপচাৰ চলি আছিল, আশা কৰো আল্লাই তেওঁলোকক আৰোগ্য কৰিছে, আন আহত সকলকো আল্লাহ তা'লাই আৰোগ্য কৰক, এজন উগ্ৰবাদীক আমাৰ নিৰাপত্তাৰক্ষীয়ে হত্যা কৰি পেলাইছে আৰু আনজনে পলায়ন কৰিছে। আল্লাহ তা'লা সেই উগ্ৰপন্থী আৰু আইন উলংঘনকাৰী আৰু জামাতৰ বিৰোধীসকলক শীঘ্ৰে ধৰক। পঞ্জাৱৰ মুখ্যমন্ত্ৰী আৰু চৰকাৰে এই দাবী কৰি আছে যে পঞ্জাৱত শ শতাংশ অপৰাধ নিয়ন্ত্ৰণলৈ আহিছে, এতিয়া কোনো অপৰাধী নাই, কিন্তু প্ৰতিদিনে আহমদীসকলৰ ওপৰত হোৱা আক্ৰমণ, হত্যা, শ্বহীদ, আঘাত আৰু তেওঁলোকৰ সা-সম্পত্তি জ্বলোৱা হয়তো চৰকাৰে এইটো অপৰাধ বুলি নাভাৱে। আল্লাহ তা'লাই এই চৰকাৰখনক বিবেক-বুদ্ধি দান কৰক, আৰু সোনকালে জামাতৰ সপক্ষে নিদৰ্শন প্ৰকাশ কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB